# Phone call between Prime Minister Shri Narendra Modi and H. E. Vladimir Putin, President of the Russian Federation

February 24, 2022

---

# প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ৰুছ ফেডাৰেচনৰ ৰাষ্ট্ৰপতি, মাননীয় ভ্লাডিমিৰ পুটিনৰ মাজত ফোন যোগে বাৰ্তালাপ

ফেব্ৰুৱাৰী 24, 2022

প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰুছ ফেডাৰেচনৰ ৰাষ্ট্ৰপতি মাননীয় ভ্লাডিমিৰ পুটিনৰ সৈতে ফোন যোগে বাৰ্তালাপ কৰে।

ৰাষ্ট্ৰপতি পুটিনে প্ৰধান মন্ত্ৰীক ইউক্ৰেনৰ বিষয়ে শেহতীয়া পৰিস্থিতি অৱগত কৰে। প্ৰধান মন্ত্ৰীয়ে নিজৰ দীৰ্ঘদিনীয়া বিশ্বাস পুনৰ প্ৰকাশ কৰে যে ৰুছ আৰু এনএটিঅ' গোটৰ মাজৰ বিতৰ্ক কেৱল সৎ আৰু আন্তৰিক আলোচনাৰ মাজেৰে সমাধা কৰিব পৰা যাব। প্ৰধান মন্ত্ৰীয়ে কৰে। তেওঁ হিংসা বন্ধ কৰিবলৈ অনুৰোধ কৰে আৰু সকলো পক্ষক কূটনৈতিক মিমাংসা আৰু আলোচনাৰ পথলৈ উভতি আহিবলৈ আহ্বান কৰে।

প্ৰধান মন্ত্ৰীয়ে লগতে ৰুছ ৰাষ্ট্ৰপতিক ইউক্ৰেনত থকা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষাৰ প্ৰতি নিজৰ চিন্তা প্ৰকাশ কৰে, বিশেষকৈ শিক্ষাৰ্থীসকলৰ প্ৰতি, আৰু অৱগত কৰে যে ভাৰতে উচ্চতম অগ্ৰাধিকাৰ ৰাখে ভাৰতলৈ তেওঁলোকৰ নিৰাপদ প্ৰস্থান আৰু প্ৰত্যাগমনৰ ওপৰত।

নেতাকেইজনে সন্মত হয় যে তেওঁলোকৰ বিষয়া আৰু কূটনৈতিক দলসমূহে নিয়মীয়া যোগাযোগ অব্যাহত ৰাখিব আঞ্চলিক ৰুচীৰ বিষয়সমূহৰ ওপৰত।

**নতুন দিল্লী**
**ফেব্ৰুৱাৰী 24, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.